**REGIONEL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-05-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যত ৰূপায়ণ হৈ থকা বিভিন্ন আঁচনিৰ মূল্যায়ন আৰু দুৰ্বল শ্ৰেণীৰ সহায়ৰ লক্ষ্যৰে গ্ৰহণ কৰিবলগীয়া নতুন উদ্যমৰ পৰিকল্পনা চূড়ান্ত কৰাৰ উদ্দেশ্যে কালি এলানি উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। জিলা আয়ুক্তসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিংযোগে হোৱা বৈঠকত ড০ শৰ্মাই অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ ৰূপায়ণৰ ক্ষেত্ৰত হোৱা অগ্ৰগতিকে ধৰি বিভিন্ন দিশৰ পৰ্যালোচনা চলায়। সেই অনুসৰি ৰাজ্য চৰকাৰে অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ সম্প্ৰসাৰণৰ পৰিকল্পনা কৰিছে আৰু আঁচনিখনত ৩৭ লাখ নতুন হিতাধিকাৰীক অন্তৰ্ভুক্ত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। অৰুণোদয় আঁচনিখনক সৰ্ববৃহৎ নগদধন হস্তান্তৰ আঁচনি বুলি অভিহিত কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে দেশৰ অন্য ৰাজ্যসমূহেও এই ক্ষেত্ৰত অসমক অনুসৰণ কৰিবলৈ লৈছে। তেওঁ কয়, যে কোনো যোগ্য হিতাধিকাৰী যাতে চৰকাৰৰ কল্যাণমূলক আঁচনিৰ পৰা বাদ পৰি নাযায় তাৰবাবে সত্যাসত্য নিৰূপণৰ প্ৰক্ৰিয়া চলি আছে। চৰকাৰ সমাজৰ সকলো শ্ৰেণীৰ সমকল্যাণৰ প্ৰতি দায়বদ্ধ বুলি তেওঁ মন্তব্য কৰে। বৈঠকত অসমৰ চাহ উদ্যোগৰ ২০০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে এটি কলি দুটি পাত নামৰ এখন নতুন আঁচনি ৰূপায়ণৰ সন্দৰ্ভতো মুখ্যমন্ত্ৰীয়ে বিশদভাৱে আলোচনা কৰে। এই আঁচনিৰ অধীনত অসমৰ চাহ বাগিচাৰ স্থায়ী-অস্থায়ী শ্ৰমিক আৰু বাগিচাসমূহত কৰ্মৰত তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকললৈ ৫ হাজাৰ টকাৰ এককালীন আৰ্থিক সাহায্য আগবঢ়োৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ইয়াৰ লগতে অভিভাৱক মন্ত্ৰীসকলৰ সৈতে আলোচনা মৰ্মে জিলা পৰ্যায়ৰ ৰূপায়ণ কমিটী গঠন কৰিবলৈ আৰু ১০ আগষ্টৰ ভিতৰত প্ৰ-পত্ৰ পূৰণকে ধৰি আঁচনিখনৰ সমস্ত প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ জিলা আয়ুক্তসকলক তেওঁ নিৰ্দেশ দিয়ে। গুৱাহাটীৰ যান-জঁট হ্ৰাস কৰি সংযোগ আৰু বাণিজ্য বৃদ্ধিৰ বাবে ৰূপায়িত ৰিং ৰোড প্ৰকল্পই কেন্দ্ৰীয় চৰকাৰৰ অগ্ৰাধিকাৰ লাভ কৰা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে বিষয়াসকলক প্ৰকল্পটোৰ সময়সীমা কঠোৰভাৱে মানি চলিবলৈ নিৰ্দেশ দিয়ে।

০০০০০০০

অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদ, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগ অসমে মুখ্যমন্ত্ৰীৰ বিজ্ঞান প্ৰতিভা সন্ধান আঁচনিৰ বাবে মেধাবী শিক্ষাৰ্থীসকলৰ পৰা আবেদন বিচাৰিছে। এই আঁচনিৰ অধীনত ২০২৫ বৰ্ষত দশম শ্ৰেণীত উত্তীৰ্ণ সৰ্বাধিক ৪০গৰাকী শিক্ষাৰ্থীক নিৰ্বাচন কৰি তেওঁলোকৰ আগ্ৰহৰ ক্ষেত্ৰ অনুসৰি সৰু সৰু গোটত ভাগ কৰি দেশৰ আগশাৰীৰ প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানলৈ এসপ্তাহৰ ফেলোশ্বিপ কেম্পলৈ প্ৰেৰণ কৰা হ'ব। লগতে প্ৰতিষ্ঠানসমূহৰ পৰামৰ্শদাতাসকলৰ দ্বাৰা শিক্ষাৰ্থীসকলক প্ৰয়োজন অনুসৰি অনলাইন পৰামৰ্শ প্ৰদান কৰাৰ উপৰি তিনিগৰাকী শ্ৰেষ্ঠ শিক্ষাৰ্থীক বিদেশৰ আগশাৰীৰ প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান ভ্ৰমণৰ বাবে প্ৰেৰণ কৰা হ'ব। এই আঁচনিৰ বাবে আবেদন কৰিবলৈ শিক্ষাৰ্থীসকল অসম চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত কোনো পৰিষদৰ পৰা ন্যূনতম ৭৫ শতাংশ নম্বৰ লাভ কৰি দশম শ্ৰেণীত উত্তীৰ্ণ হোৱা আৰু গণিত, পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱ বিজ্ঞান, পৰিসংখ্যা বিজ্ঞান বা কম্পিউটাৰ বিজ্ঞানৰ অন্ততঃ

তিনিটা বিষয় লৈ ৰাজ্যৰ কোনো শিক্ষানুষ্ঠানত একাদশ শ্ৰেণীত নামভৰ্তি কৰা হ'ব লাগিব। শিক্ষাৰ্থীসকলে ২০ জুনৰ ভিতৰত www.astec.assam.gov.in ৱেবছাইটযোগে আবেদন কৰিব পাৰিব।

০০০০০০০

ৰাজ্যত পৰহিৰে পৰা হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত হৈছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসমসহ উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্য, পশ্চিমবংগৰ হিমালয়ৰ পাদদেশ অঞ্চল আৰু ছিকিমত বৰষুণৰ সম্ভাৱনালৈ চাই আজি আৰু কাইলৈৰ বাবে ৰাজ্যৰ কেইবাখনো জিলাৰ বাবে ৰেড এলাৰ্ট জাৰি কৰিছে। বতৰ বিজ্ঞান বিভাগে লগতে পৰৱৰ্তী দুই-তিনি দিনত ৰাজ্যৰ পশ্চিম আৰু দক্ষিণ প্ৰান্তত ধাৰাষাৰ বৰষুণ হোৱাৰ আগলি বতৰা দিছে। বিভাগটোৰ বতৰা অনুসৰি ওড়িশাৰ উপকূল ভাগৰ সমীপৰ উত্তৰ-পশ্চিম বংগোপসাগৰত নিম্ন চাপৰ সৃষ্টি হৈছে। পৰৱৰ্তী ২৪ ঘণ্টাত এই নিম্ন চাপ গভীৰ নিম্ন চাপলৈ ৰূপান্তৰ হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ প্ৰভাৱত কাছাৰ, হাইলাকান্দি, শ্ৰীভূমি, ধুবুৰী, দক্ষিণ শালমাৰা মানকাচৰ, গোৱালপাৰা, বৰপেটা, বঙাইগাঁও, পশ্চিম কাৰ্বি আংলং, কোকৰাঝাৰ, চিৰাং, বজালী, বাক্সা, কামৰূপ মহানগৰ, দৰং, ওদালগুৰি, মৰিগাঁও, নগাঁও, হোজাই, শোণিতপুৰ, ডিমা হাচাও, তামুলপুৰ আৰু নলবাৰীত বিজুলী ঢেৰেকনিৰে ধাৰাসাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে সকীয়াই দিছে। বৰঝাৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই ৰাজ্যত কেইবাখনো জিলাত ৰেড এলাৰ্ট জাৰি কৰিছে।

০০০০০০০

অসম আৰু মেঘালয়ৰ সীমান্তৱৰ্তী অঞ্চলৰ ভূমি বিবাদ নিষ্পত্তিৰ বাবে অহা ২ জুনত গুৱাহাটীত মুখ্যমন্ত্ৰী পৰ্যায়ৰ দ্বিতীয়লানি বৈঠক অনুষ্ঠিত হ'ব। মেঘালয়ৰ মুখ্য সচিব ড'নাল্ড ফিলিপ্‌ছ্‌ ৱাহ লাঙে কালি কয়, যে এই বৈঠকত দুয়োখন ৰাজ্যৰ বিবদমান সীমান্তৱৰ্তী অঞ্চলৰ ছটা এলেকা সন্দৰ্ভত এতিয়ালৈ সমাধান নোহোৱা বিষয়বোৰ বুজাবুজিৰ মাজেৰে নিষ্পত্তিৰ চেষ্টা কৰা হ'ব।

০০০০০০০

সমাপ্ত